১৫. অসমীয়া ভাষাটোক মূলতঃ মগধীয় ভাষা বুলি উল্লেখ কৰাৰ লগে লগে অসমীয়া ভাষাৰ মগধীয় আন আন ভাষা বা মগধ অঞ্চলত প্ৰচলিত আন প্ৰাকৃত আদিৰে সৈতে সম্বন্ধ থকা কথাটোও অন্তৰ্ভুক্ত হয়। অসমীয়া ভাষা আৰু ইয়াৰ উপভাষাবোৰত মাগধী প্ৰাকৃতৰ বহুতো নিদৰ্শন সংৰক্ষিত হৈছে। মাগধী প্ৰাকৃতৰ লক্ষণবোৰৰ ভিতৰত এইবোৰ বিশেষভাৱে উল্লেখযোগ্য ঃ (ক) সংস্কৃতৰ 'শ, ষ, স' ধ্বনিৰ 'শ'লৈ, (খ) 'ৰ' ধ্বনিৰ 'ল'লৈ, (গ) 'জ' ধ্বনি 'য'লৈ, (ঘ) বিসৰ্গযুক্ত পদান্ত অ > এ, (ঙ) 'ন্য' ধ্বনিৰ 'ঞঞ' লৈ পৰিৱৰ্তন, (চ) অপিনিহিতিৰ অৱস্থিতি, (ছ) স্বাৰ্থিক আ প্ৰত্যয়ৰ বহুল ব্যৱহাৰ, (জ) শব্দ-বিভক্তিৰ বিলুপ্তি, (ঝ) চতুৰ্থীৰ ঠাইত দ্বিতীয়া বা সপ্তমীৰ প্ৰয়োগ আদি।[১৫] উদাহৰণ ঃ

(ক) অসমীয়া মান্য ভাষাত শব্দৰ আৰম্ভণিত সংস্কৃতৰ 'শ, ষ, স' এই উষ্ম ধ্বনিকেইটা অসংযুক্ত হ'লে 'স' ৰূপে উচ্চাৰিত হয়। শব্দৰ আন ঠাইত সিহঁতৰ সাধাৰণতে 'স'ৰ দৰেই উচ্চাৰণ হয়। কিছুমান শব্দত 'হ' আৰু 'খ' ৰূপেও শুনা যায়। গোৱালপৰীয়া 'দেশী-ভাষা'ত হ'লে এই ধ্বনিকেইটাৰ তালব্য 'শ'ৰূপে উচ্চাৰণ হোৱা উদাহৰণ আছে; যেনে দশ্, মানুশ্, শাপ (সৰ্প), মৈশ (মহিষ), শেশা (শশ)।

---

১৪. ভৰালি, দেৱানন্দ ঃ অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি, ১৯৩২, দ্বিতীয় সংস্কৰণ, পৃষ্ঠা. ৫২

১৫. Goswami, U., *A Study on Kamrupi, a Dialect of Assamese* § 251.

(খ) শৰীল (কাম.), [তু. বুৰঞ্জী শৰীল], লাই (ৰাজিকা), চকল (চক্ৰ > চকৰ > চলক)। *

(গ) যজুৰ্বেদী > যযুৰ্বেদী (ইন্দ্ৰপালৰ তামৰ ফলি)।

(ঘ) প্ৰথমতঃ > প্ৰথমতে (অশোকৰ অনুশাসনৰ প্ৰাচ্য-মধ্য উপভাষাতো এই বৈশিষ্ট্য আছে)।

(ঙ) পুণ্য > পুঞঞ (আমবাৰীৰ শিলালিপি ঃ দান পুইঞ সজ)।

(চ) সৰ্ত্য > সোইত্তো, সইত্ত; সং. সাধুক > সাউদ, ৰাজ্য > ৰাইজ।

(ছ) চকা, চাকা (কাম.), কণা, সনা (কাম.) ৰুপা (কাম.)।

(জ) বিশেষভাৱে নুবুজালে অসমীয়াত দ্বিতীয়া বিভক্তি 'ক' যোগ নহয়; যেনে— মাহনু/মানুহ মাৰে। অকৰ্মক ক্ৰিয়াৰ কৰ্তাৰ পিছতো সচৰাচৰ প্ৰথমা 'এ' বিভক্তি যোগ নহয়; যেনে— ৰাম যায়।

(ঝ) ক'ক যাহ/ক'ত যাহ (কাম), [তু বুৰঞ্জী. চক্ৰানফাৰ ঠাইক মানুহ পঠালে। পাছে কিংলুঙ্গে এই কথা ৰজাদেৱত ক'লে]। চতুৰ্থী আৰু দ্বিতীয়া বিভক্তি একে লগ হোৱাৰ এটা সুন্দৰ নিদৰ্শন হৈছে অসমীয়া ভাষাত সম্প্ৰদান কাৰকৰ অনুপস্থিতি। কাৰোবাক কোনো এটা বস্তু দিয়াটোৱে সম্প্ৰদান। সম্প্ৰদান কাৰকত সংস্কৃতত চতুৰ্থী বিভক্তি হয়; যেনে— দৰিদ্ৰায় ধনং দদাতি। অসমীয়াত কিন্তু সম্প্ৰদান-কাৰক নাই। কাৰোবাক কোনো এটা বস্তু দিয়া অৰ্থত কৰ্ম-কাৰকহে হয়; যেনে— ভিখাৰীক চাউল দিছে। অসমীয়াত অৱশ্যে প্ৰতি, অভিমুখ, নিমিত্ত আদি অৰ্থত ক্ৰিয়াৰ লগত কিছুমান শব্দৰ সম্পৰ্ক ঘটে। এইটোক নিমিত্ত-কাৰক বোলা হৈছে! নিমিত্ত-কাৰকত চতুৰ্থ বিভক্তি হয়; যেনে— ডাঙৰলৈ ভক্তিভাৱ ৰাখিবা (প্ৰতি), তেওঁ শিৱসাগৰলৈ গ'ল (অভিমুখ), এইটো তোমালৈ আনিছোঁ (নিমিত্ত)।

---

'ৰ'টোৰ 'ল'লৈ হোৱা পৰিৱৰ্তনটো মাজে-সময়ে আন প্ৰাকৃততো পোৱা যায় (মাহা. শৌ. দলিদ্দ < দৰিদ্ৰ, মুহল < মুখৰ। পালি তলুণো < তৰুণো)। বৈদিক ভাষাতো ইয়াৰ উদাহৰণ আছে ঃ অলম্ কৃ < অৰম্ কৃণোতি, লুচ্ < ৰুচ্।... বোধহয় নাটকীয় মাগধীৰ এই পৰিৱৰ্তনটো পূৰ্বদেশীয় উপভাষাবোৰৰ বিশিষ্ট ধাৰাৰ পৰম্পৰাগত অতিৰঞ্জন— (*Introduction of Prakrit,* ed. 2, pp, 59-60)। অশোকৰ অনুশাসনৰ প্ৰাচ্য-মধ্য আৰু প্ৰাচ্য উপভাষাতো 'ৰ', 'ল' হৈছে।

১৬. অসমীয়া ভাষাত শৌৰসেনী, অৰ্ধমাগধী আৰু পৈশাচী উপাদানো নথকা নহয়। অসমীয়া ভাষাটো 'শৌৰসেনী আৰু মাগধী অপভ্ৰংশৰ মিশ্ৰণ' বুলি কালিৰাম মেধিয়ে লেখিছে। সংস্কৃতৰ 'ক্ষ' শৌৰসেনীত 'খ' আৰু 'ক্‌খ' হৈছে। অশোকৰ অনুশাসনৰ প্ৰাচ্য-মধ্যাৰ উপভাষাতো ক্ষ > ক্‌খ। অসমীয়া ভাষাত সংস্কৃতৰ 'ক্ষ'ৰ 'খ' আৰু 'ক্‌খ' লৈ পৰিবৰ্তন হোৱা উদাহৰণ আছে; যেনে— ক্ষিতিমথ > খিমথ (ৰত্নপালৰ তামৰ ফলি); মাকি্‌খযান (ইন্দ্ৰপালৰ তামৰ ফলি); সং. ক্ষীণ > অস. খীণ, সং. মক্ষিকা > অস. মাখী, সং. দক্ষিণ > দোকি্‌খন/দোখিন (কাম.), মা. অস. দকি্‌খন, সং. লক্ষ্মী > লোকি্‌খ (কাম.), লকি্‌খ/লখিমী (মা. অস.)। সং. কাৰ্যম্ > শৌ কজে্‌জা, কাম. কাইজ্জো। শব্দৰ মধ্যৱৰ্তী -ন্ত- কেতিয়াবা শৌৰসেনীত -ন্দ- হয় (সং হন্ত > হন্দ)। তামৰ ফলিৰ ভাষাত ইয়াৰ নিদৰ্শন আছে; যেনে— অনন্ত > অনন্দ (নিধনপুৰৰ তামৰ ফলি)। কেতিয়াবা শৌৰসেনী আৰু মাহাৰাষ্ট্ৰীত -দ- > -ল-; যেনে— বিজ্‌জুলিআ < * বিদ্যুতিকা, তু. অস. বিজুলী। সংস্কৃতৰ শব্দৰ শেষত থকা বিসৰ্গৰ 'ও' ৰূপে হোৱা পৰিৱৰ্তনক অৰ্ধমাগধী উপাদানৰূপে ধৰা হয়। তামৰ ফলিৰ ভাষা আৰু কামৰূপী উপভাষাত ইয়াৰ নিদৰ্শন আছে ঃ সং. ভাৰ্গৱঃ > ভগগৱো (নিধনপুৰৰ তামৰ ফলি), সং. ধৰ্মঃ > ধৰ্মো (কাম), তু. পালি ধম্মো। মাহাৰাষ্ট্ৰী আৰু অৰ্ধমাগধীত সং. ষ > ছ; যেনে— ষট্ > ছ; তু. গোৱা. ছই। অৰ্ধমাগধীত সংস্কৃতৰ চ- > ত-; যেনে— চিকিৎসা > তেইচ্ছা; তু. কাম. তিকিচ্ছা। মাহাৰাষ্ট্ৰী প্ৰাকৃতত 'ভ'- আৰু শব্দৰ মাজত থকা উষ্ম ধ্বনিৰ 'হ'লৈ পৰিৱৰ্তন হয়। তামৰ ফলিৰ ভাষা, কামৰূপী উপভাষা আৰু অস. মান্য ভাষাত এই লক্ষণ বিদ্যমানঃ উদাহৰণ— সং. ভৱতি > হোই (মাহা), হোই (কাম), হই (হয়) মা. অস. [তু. শুভঙ্কৰ > সুহংকৰ তামৰফলি]। সং. আকাশ > আকাহ (কাম), ৰস > ৰহ (কাম.), তু. মা. অস. ৰহঘৰা; বিষ > বিহ., ভিক্ষু > ভিকহু, আশুসিদ্ধি > আহুদি। তেনেকৈ সং. কাংস্য > কাঁহ, সং. হংস > হাঁহ, তু গোৱা. হাশ। সং. আত্মন্ > মাহা. অপ্‌পা, তু. অস. আপোন। অসমীয়া ভাষাত সংস্কৃতৰ উষ্ম ধ্বনিৰ 'চ' ৰূপে হোৱা পৰিৱৰ্তনৰ উদাহৰণো আছে; যেনে— সৰ্ব > সব্ব > চোব/চোপ, চপা (কাম.) [তু. চপাৰাতি]। সং. স্নেহ > সনেহ (চনেহ) > চেনহ চেনাহ (কাম.) চেনেহ (মা. অস.); সং. স্নানং > পালিত সিনানং (চিনানং) > চিনান (কাম.)। সং. 'ঘ'ৰ 'খ'লৈ হোৱা পৰিৱৰ্তনক পৈশাচী প্ৰাকৃতৰ এটা বৈশিষ্ট্যৰূপে ধৰা হয়; যেনে— সং. ঘৰ্ম > পৈ. খম্ম, তু. সং ঘৃণ্টিকা > অস. খুঁটি (গৰু বা ম'হৰ)।